समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

বৈকল্পিক

পাঠ - ১৪

ধৰ ঝাড়ু ধৰ ভাই

অংশ - ২

অংগৰাগ ভূঞা



এটা খড়গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰশ্নাৱলী

ভাব-বিষয়ক :


১। অতি চমুকৈ উত্তৰ দিয়া —

(ক) অম্বিকাগিৰী ৰায়চৌধুৰীক কি আখ্যা দিয়া হৈছিল?


समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- অম্বিকাগিৰী ৰায়চৌধুৰীক "অসম কেশৰী" আখ্যা দিয়া হৈছিল।



(খ) সাতামপুৰুষীয়া 'সোণৰ চোতাল-ঘৰ' কিহেৰে পোত খাই আছে বুলি কবিয়ে কৈছে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- সাতামপুৰুষীয়া "সোণৰ চোতাল-ঘৰ" বহু যুগৰ ভূঁহুৰ পৰি পোত খাই আছে বুলি কবিয়ে কৈছে।



(গ) জাতিৰ জীৱন মনোহৰ কৰিবলৈ কবিয়ে কি বেশেৰে ঝাড়ু ধৰিবলৈ কৈছে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- জাতিৰ জীৱন মনোহৰ কৰিবলৈ কবিয়ে বীৰ বেশেৰে ঝাড়ু ধৰিবলৈ কৈছে।



(ঘ) কবিয়ে চাই থাকোঁতে থাকোঁতে মুখ কিহেৰে ভৰি পৰিল বুলিছে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


উত্তৰঃ- কবিয়ে চাই থাকোঁতে মুখ কাজল-ছাইৰে ভৰি পৰিল বুলিছে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। 'হ'ল এৰে তোৰ সময় হ'বৰ
জাতিৰ ঝাড়ুদাৰ যে ভাই।'
— ইয়াত কবিয়ে কি কাৰণে 'জাতিৰ ঝাড়ুদাৰ' হোৱাৰ সময় হ'লহি বুলি সকীয়াই দিছে?




সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- পৰাধীন ভাৰতক স্বাধীন কৰিবলৈ মহাত্মা গান্ধীৰ নেতৃত্বত যি অহিংস আন্দোলন দেশজুৰি চলিছিল, সেই আন্দোলনৰ কবি অম্বিকাগিৰী ৰায়চৌধাৰী অংশীদাৰ আছিল। ভাৰতবাসীৰ মাজত হিংসা, ভেদা-ভেদ, ঘৃণা-ঘৃণিৰ ভেম ক'ত কি যে মলি-মামৰ পৰি অসমৰ 'সোণৰ চোতাল' আনৰ জাৱেৰে ভৰি পৰিছিল।

উক্ত কবিতাফাঁকিৰ দ্বাৰা কবিয়ে পৰাধীনতাৰ কলংক আঁতৰাই দেশৰ হেৰোৱা স্বাধীনতা পুনৰ উদ্ধাৰ কৰিবৰ বাবে কবিয়ে ভাৰতবাসীক ঝাড়ু ধৰিবলৈ আহ্বান কৰিছে।


যাতে এইবোৰ সাৰি আঁতৰাই ভাৰতবৰ্ষ তথা অসমক পৰিষ্কাৰ কৰিবলৈ 'জাতিৰ ঝাড়ুদাৰ' হোৱাৰ সময় হ'লহি বুলি কবিয়ে সকলোকে সকীয়াই দিছে। যদি এনে নকৰে তেনেহ'লে, চিৰকাললে ভাৰতবাসী তথা অসমবাসীয়ে গোলামী কৰি দুৰ্বিষহ জীৱন কটাব লাগিব।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। 'নহ'লে যে বিশ্ব সভাত
নহ'ব তোৰ বহাৰ ঠাই।'
— বিশ্ব সভাত বহাৰ ঠাই পাবলৈ কবিয়ে
কি কৰিবলৈ নির্দেশ দিছে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- কবিতাটি ৰচনাৰ সময়ত ভাৰতবৰ্ষ ব্ৰিটিছৰ অধীনত আছিল। পৰাধীন দেশে কেতিয়াও সু-সভ্য জাতিৰ বিশ্বসভাত বহাৰ সুযোগ নাপায়। ভাৰতবাসীয়ে ইমান দিনে পৰৰ অধীনত চলি, পৰৰ গোলামী কৰি, পৰৰ চৰণত পূজা-সেৱা কৰি দিন অতিবাহিত কৰিলে।কিন্তু এতিয়া সকলোৱে "ঝাড়ুদাৰ" হোৱাৰ সময় আহি পৰিল। ঝাড়ুৰে সাৰি-পুছি ঘৰ-দুৱাৰ চিকুণাই তোলাৰ দৰে আমাৰ মাজত থকা মলিস্বৰূপ পৰস্পৰ ভেদা-ভেদ, হিংসা-বিদ্বেষ, ঘৃণা আদি নাইকিয়া কৰি সকলোৱে একগোট হৈ দেশখনৰ হেৰুৱা স্বাধীনতা ঘূৰাই আনিলেহে বিশ্ব সভাত বহাৰ ঠাই পাব বুলি কবিয়ে কৈছে।

৪। 'ধৰ ঝাড়ু ধৰ ভাই' — কবিতাটিৰ মূলভাৱ লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- সকলো ধৰণৰ হিংসা-আসূয়া, গোলামী, পৰাধীনতাৰ পৰা দেশক স্বাধীন কৰিবলৈ একগোট হোৱাৰ আহ্বানেই "ধৰ ঝাড়ু ধৰ ভাই" কবিতাটোৰ মূলভাৱ।


দেশপ্রেমী কবি অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীদেৱৰ 'ধৰ ঝাড়ু ধৰ ভাই' কবিতাটোৰ ৰচনাৰ সময়ত তেওঁ দেশৰ স্বাধনীতাৰ কাৰণে যুঁজাৰ বাবে সশ্রম কাৰাবাস খাটিবলগীয়া হৈছিল। যুগ যুগ ধৰি অসম তথা ভাৰতবর্ষ ইংৰাজৰ অধীনত আছিল। সেই সময়ত অসমৰ নিজস্ব ঐতিহ্য, গৰিমা কালৰ বুকুত হেৰুওৱাৰ উপক্রম হৈছিল। জাতিৰ অস্তিত্ব বিপন্ন হৈ পৰিছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

তথাপি দেশৰ মানুহৰ জাতীয় চেতনা জাগ্রত হোৱা নাছিল। ইংৰাজৰ ভয়ত বহুতে তেওঁলোকৰ তলত গোমালীহে কৰিছিল। সেই সময়ত দেশৰ মানুহৰ মাজত হিংসা, ভেদা-ভেদ, ঘৃণা-ঘৃণিৰ ভাৱ উপচি পৰিছিল। দেশৰ পৰা এই সকলোবোৰ দূৰ কৰি ভাৰতবর্ষক পুনৰ আগৰ পৰে স্বাধীন 'সোণৰ অসম' গঢ়ি তুলিবৰ বাবে কবিয়ে দেশৰ সকলো নাগৰিকক ঝাড়দাৰ হ'বৰ বাবে আহ্বান জনাইছিল। ঝাড়ুৰে সাৰি-পুছি ঘৰ-দুৱাৰ চিকুণাই তোলাৰ দৰে আমাৰ মাজত থকা মলিস্বৰূপ পৰস্পৰ ভেদা-ভেদ, হিংসা-বিদ্বেষ, ঘৃণা আদি নাইকিয়া কৰি সকলোৱে একগোট হৈ দেশখনৰ হেৰুৱা স্বাধীনতা ঘূৰাই আনিলেহে বিশ্ব সভাত বহাৰ ঠাই পাব বুলি কবিয়ে কৈছে।

তেতিয়াহে আমাৰ গোলামীৰ শিকলি আঁতৰি যাব আৰু মাতৃভূমি দাসত্বৰ পৰা মুক্ত হৈ স্বাধীন দেশ হিচাপে মূৰ দাঙি থিয় হ'ব পাৰিব। বিশ্বৰ সভাৰ সভ্য জাতিৰ একে শাৰীতে বহাৰ সুযোগ লাভ কৰিব। সেয়ে সকলোকে বীৰ বেশেৰে ইয়াৰ বাবে আগবাঢ়ি আহিবলৈ কবিয়ে আহ্বান জনাইছে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। ব্যাখ্যা কৰা —

(ক) হিংসা-দ্বেষৰ, ভেদাভেদৰ,
ঘৃণা-ঘৃণি স্বার্থ ভেমৰ
কত যে কি মলি-মামৰ
ভৰি জাতিৰ জীৱন যায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- উক্ত কবিতাফাকি আমাৰ পাঠ্যপুথিৰ অন্তর্গত কবি অম্বিকাগিৰী ৰায়চৌধুৰীদেৱৰ দ্বাৰা ৰচিত "ধৰ ঝাড়ু ধৰ ভাই" কবিতাটোৰ পৰা তুলি দিয়া হৈছে।

দেশৰ মানুহৰ মাজত হোৱা স্বার্থৰ সংঘাতৰ কথা কোৱাৰ প্রসংগত উক্তফাকি লিখা হৈছে।

ভাৰতবর্ষ তথা অসমত বহু বছৰ ধৰি ইংৰাজসকলে ৰাজত্ব কৰি আহিছিল আৰু দেশখন শাসন কৰিছিল। সেই সময়ত অসম তথা ভাৰতবর্ষৰ নিজস্ব ঐতিহ্য, গৰিমা, কালৰ বুকুত হেৰুওৱাৰ উপক্রম হৈছিল। জাতিৰ অস্তিত্ব বিপন্ন হৈ পৰিছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

তথাপি দেশৰ মানুহৰ জাতীয় চেতনা জাগ্রত হোৱা নাছিল। ইংৰাজৰ ভয়ত বহুতে তেওঁলোকৰ তলত গোমালিহে কৰিছিল। ব্যক্তিগত লাভৰ বাবে এজন মানুহে আন এজন মানুহক হিংসা কৰিছিল। সেই সময়ত দেশৰ মানুহৰ মাজত হিংসা, ভেদা-ভেদ, ঘৃণা-ঘৃণিৰ ভাৱ উপচি পৰিছিল। দেশৰ জাতি ধ্বংসৰ পথলৈহে গৈ আছিল। সমাজত পৰস্পৰ মাজত থকা ভেদাভেদ, হিংসা, খিয়লা-খিয়লি আদিবোৰ হৈছে মলি স্বৰূপ। এই মলিবোৰ সমাজত বেছি হৈ যোৱা ফলত এটা জাতিৰ জীৱন যায় বুলি কবিয়ে কৈছে। সেয়ে এই সকলোবোৰ দূৰ কৰি জাতিটোক উদ্ধাৰ কৰিবলৈ বীৰ বেশেৰে ওলাই আহিবলৈ কবিয়ে সকলোকে আহ্বান জনাইছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। ব্যাখ্যা কৰা —

(খ) ধৰ ঝাড়ু ধৰ ভাই।
আৰু চাবৰ সময় নাই —
চাই থাকোঁতে মুখত কেৱল
ভৰিল কাজল-ছাই।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- উক্ত কবিতাফাকি আমাৰ পাঠ্যপুথিৰ অন্তর্গত কবি অম্বিকাগিৰী ৰায়চৌধুৰীদেৱৰ দ্বাৰা ৰচিত "ধৰ ঝাড়ু ধৰ ভাই" কবিতাটোৰ পৰা তুলি দিয়া হৈছে।

পৰাধীনতাৰ কৱলত পৰি হিংসা, ভেদাভেদ আদিৰ মলি-মামৰে ভৰি পৰা দেশখনক উদ্ধাৰ কৰিবলৈ দেশবাসীক আহ্বান জনাবলৈ গৈ কবিয়ে কবিতাটিৰ আৰম্ভণিতে এনেদৰে উল্লেখ কৰিছে।

যেতিয়া ব্রিটিছসকলে আমাৰ ওপৰত অত্যাচাৰ কৰিবলৈ লৈছিল, আমাৰ সমাজ পৰাধীন হৈ থাকিব লগীয়া হৈছিল। সেই সময়ত আমাৰ দেশখন কলীয়া ডাৱৰে আৱৰি ধৰিছিল।

তেতিয়া কবিয়ে আমাৰ মাজত থকা ভেদাভেদৰ ভাৱ আঁতৰাই সকলোকে একগোট হৈ দেশ স্বাধীন কৰিবলৈ ওলায় আহিবলৈ আহ্বান জনাইছিল।



৬। 'ধৰ ঝাড়ু ধৰ ভাই' — কবিতাটোৰ মাজেৰ কবি ৰায়চৌধুৰীদেৱৰ স্বদেশপ্রেমৰ ভাব কিদৰে প্রকাশ পাইছে লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- "ধৰ ঝাড়ু ধৰ ভাই" দেশপ্ৰেমী বিপ্লৱী কবি অম্বিকাগিৰী ৰায়চৌধুৰীদেৱৰ দ্বাৰা ৰচিত এটা দেশপ্ৰেমমূলক কবিতা। স্বদেশী আন্দোলনত যোগদান কৰাৰ সময়ত তেওঁ কেইবাবাৰো কাৰাবাস ৰবণ কৰিব লগীয়া হৈছিল। কাৰাগাৰত তেওঁক পায়খানা সাৰি চাফাই কৰা কাম দিয়া হৈছিল। এই কাম কৰোঁতে তেওঁ বাঢ়নী চলোৱাৰ লগে লগে এই কবিতাটি ৰচনা কৰি গাই গৈছিল।

'ধৰ ঝাড়ু ধৰ ভাই' কবিতাটোৰ মূল সুৰটোৱেই হৈছে স্বদেশপ্ৰেম। কবি অম্বিকাগিৰী ৰায়চৌধুৰী জাতীয়তাবাদী চিন্তাধাৰাৰে পৰিপুষ্ট লোক। এটা সময়ত অসম ইংৰাজৰ শাসনৰ অধীনত আছিল।

সেই সময়ত অসম তথা ভাৰতবৰ্ষৰ নিজস্ব ঐতিহ্য, গৰিমা, কালৰ বুকুত হেৰুওৱাৰ উপক্রম হৈছিল। জাতিৰ অস্তিত্ব বিপন্ন হৈ পৰিছিল। তথাপি দেশৰ মানুহৰ জাতীয় চেতনা জাগ্রত হোৱা নাছিল। ইংৰাজৰ ভয়ত বহুতে তেওঁলোকৰ তলত গোমালিহে কৰিছিল। স্বার্থপৰতাক প্রশ্রয় দি ইংৰাজৰ হকে কাম কৰি বহু অসমীয়াই এনে কার্যৰে নিজৰ গাতে কালিমা সানিছিল। কবি ৰায়চৌধুৰীৰ দেশপ্রেমিক মনে এইবোৰ কথা সহিব পৰা নাছিল।

মহাত্মা গান্ধীৰ নেতৃত্বত দেশজুৰি চলা স্বাধীনতা আন্দোলনৰ তেওঁ অক্লান্ত বর্মী আছিল। আন্দোলন কৰি কাৰাবাস খটাৰ সময়ত ৰচনা কৰা

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

কবিতাটোত সেয়ে তেওঁৰ দেশপ্রেম উজ্বলি উঠিছে। কবিয়ে উদাত্ত কণ্ঠেৰে পৰস্পৰৰ মাজত থকা ভেদাভেদ পৰিহাৰ কৰি দেশৰ স্বাধীনতাৰ হকে বীৰৰ দৰে যুঁজিবলৈ অসমীয়া জাতিক আহ্বান জনাইছে । ঝাড়ুদাৰে যেনেকৈ ঘৰ-চোতালৰ চুক-কোণ সাৰি-পুছি পৰিষ্কাৰ কৰে, ঠিক সেইদৰে অসমৰ মানুহেও নিজৰ মাজত থকা হিংসা-অসূয়াবোৰক দলিয়াই পেলাব লাগে আৰু জাতিৰ অস্তিত্ব ৰক্ষাত আগভাগ ল'ব লাগে।এটা আত্মভিমানী আৰু স্বদেশপ্রেমিক মনৰ অধিকাৰী হোৱাৰ বাবে কবিয়ে নিজ জাতিটোক এনে আহ্বান জনাব পাৰিছিল ।

সমগ্র কবিতাটো কেৱল স্বদেশপ্রেমৰ ভাবেৰেই ঠাঁহ খাই আছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভাষা-বিষয়ক :

১। তলত দিয়া যুৰীয়া শব্দবোৰেৰে একোটিকৈ বাক্য ৰচনা কৰা —

(ক) হীনে-ঘিণে

(খ) ধাৰে-ঋণে

(গ) ঘৃণা-ঘৃণি

(ঘ) জাহি-জাবৰ

(ঙ) সাৰি-পুছি

(চ) মলি-মামৰ

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

হীনে-ঘিণে : ব্ৰিটিছৰ তলত হীনে- ঘিণে গোলামী কৰি থকা বাবে অম্বিকাগিৰী ৰায়চৌধুৰীয়ে অসমীয়াক ভৎ্সনা কৰিছিল।

ধাৰে-ঋণে : ব্যৱসায় আৰম্ভ কৰি ধাৰে-ঋণে জুৰুলা হ'লেও বিমান হতোদ্যম হোৱা নাছিল।

ঘৃণা-ঘৃণি : দেশক ভালপোৱা লোকে পৰস্পৰৰ মাজত ঘৃণা –ঘৃণিৰ ভাব পোষণ নকৰে।

জাহি-জাবৰ : চৌপাশৰ পৰিৱেশৰ লগতে মনৰ মাজত থকা জাহি-জাবৰ নিকা কৰি ৰাখিলেহে প্ৰকৃত শান্তি লাভ কৰিব পৰা যায়।


সাৰি-পুছি : মোমায়েক আহিব বুলি খবৰ পায়েই মুনমীয়ে ঘৰৰ চৌপাশ সাৰি- পুছি নিকা কৰি পেলালে।

মলি-মামৰ : হিংসা-দ্বেষ, ভেদাভেদ স্বাৰ্থ আৰু মলি মামৰেৰ অসমীয়াৰ হৃদয় ভৰি পৰিছে বুলি কবিয়ে খেদ প্ৰকাশ কৰিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। তলৰ শব্দবোৰত মূর্ধন্য 'ণ' হোৱাৰ কাৰণ দর্শোৱা —




(ক) সোণ

(খ) ঘৃণা

(গ) ঋণ

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



উত্তৰঃ-

(ক) সোণঃ কিছুমান শব্দত স্বাভাৱিকতে মূর্ধন্য 'ণ' হয়।

(খ) ঘৃণাঃ একেটা পদতে থকা ‘ঋ’, ৰ আৰু 'ষ' পাছৰ দন্ত্য 'ন' মূর্ধন্য 'ণ' হয়।

(গ) ঋণঃ একেটা পদতে থকা 'ঋ’ , ৰ আৰু ‘ষ’ৰ পাছৰ দন্ত্য 'ন' মূর্ধন্য 'ণ' হয়।

৩। বিপৰীত শব্দ লিখা —

(ক) ঘৃণা

(খ) স্বাৰ্থ

(গ) জীৱন

(ঘ) বীৰ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-

ঘৃণা – প্রেম

স্বার্থ – নিস্বার্থ

জীৱন – মৰণ

বীৰ – ভীৰু, কাপুৰুষ